# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ২৫ ডিচেম্বৰ ২০২০ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁহজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবী হজৰত আলি (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলীৰ ঈমান উদ্দীপক চমু বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উচমান (ৰাঃ)ৰ শ্বাহাদতৰ ঘটনা সম্পৰ্কে এটা গুৰুত্বপূৰ্ণ বিষয়লৈ মনোযোগ আকৰ্ষণ কৰোঁতে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে যিহেতু আপোনালোকেও চাহাবা সকলোৰেই প্ৰতিবিম্ব স্বৰূপ। গতিকে মই ইতিহাসৰ পৰা বৰ্ণনা কৰিব বিচাৰো যে কেনেকৈ মুছলমান সকলৰ পতন ঘটিছে আৰু কোন বস্তুটো মুছলমানৰ পতনৰ মূল কাৰণ। গতিকে আপোনালোকে সাৱধান হৈ যাওঁক আৰু যিসকল লোক আপোনালোকৰ মাজলৈ নতুনকৈ আহে তেওঁলোকৰ বাবে শিক্ষা-দীক্ষাৰ পূৰ্ণ ব্যৱস্থা কৰক। হজৰত উচমান (ৰাঃ)ৰ কালত যি বিবাবদ মূৰ দাঙি উঠিছিল, সেয়া চাহাবা সকলৰ ফালৰ পৰা উঠা নাছিল। যিসকলে কয় যে এই কাজিয়া চাহাবা সকলে লগাইছিল তেওঁলোকে ভুল বুজিছে। এই কাজিয়াৰ উদ্ভাৱক চাহাবা সকলে নাছিল বৰং সেইসকল লোকেহে কাজিয়াৰ সুত্ৰপাত ঘটাইছিল, যিসকলে পিছত আহিছিল আৰু যিসকলে আঁ-হজৰত (ছাঃ)ক লগ পোৱাৰ সৌভাগ্য লাভ কৰা নাছিল আৰু তেখেত (ছাঃ)ৰ ওচৰত বহাৰ সুযোগ পোৱা নাছিল। গতিকে মই আপোনালোকক এই ফালে মন দিবলৈ কৈছো আৰু কাজিয়া-বিবাদৰ পৰা ৰক্ষা পোৱাৰ উপায় জনাই দি আছো (তেতিয়া এখেত (ৰাঃ)য়ে কাদিয়ানত আছিল) যে আপোনালোকে বেছি বেছিকৈ কাদিয়ানলৈ আহি থাকক যাতে ঈমান সজীৱ থাকে আৰু আপোনালোকৰ হৃদয়ত আল্লাহ তা'লাৰ ভয় বাঢ়ি গৈ থাকে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্তমান আল্লাহ তা'লা আমাক এম,টি,এৰ দৰে মূল্যবান সুবিধা দান কৰিছে। গতিকে তৰবিয়তৰ নিমিত্তে এয়া বৰকৈ জৰুৰী যে ইয়াৰ ওপৰিও আপোনালোকে নিজে হজৰত মছীহ মাওউদ (আঃ)ৰ ৰচিত কিতাপ অধ্যয়ন কৰক আৰু এম,টি.এৰ সৈতেও প্ৰগাঢ় সম্পৰ্ক ৰাখক আৰু জুমাৰ খোতবাবোৰ বিশেষ মনোযোগেৰে শুনক যাতে খিলাফতৰ সৈতে সম্পৰ্ক অটুট থাকে আৰু ক্ৰমান্বয়ে এই সম্পৰ্ক বাঢ়ি গৈ থাকে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে উল্লেখ কৰে যে চন ৩৬ হিজৰীত হজৰত আলি (ৰাঃ)আৰু হজৰত আয়শা (ৰাঃ)ৰ মাজত জমলৰ যুদ্ধ সংগঠিত হৈছিল। হজৰত তালহা (ৰাঃ) আৰু হজৰত জুবেৰ (ৰাঃ)য়ে এই যুদ্ধত হজৰত আয়শা (ৰাঃ)ৰ ফালে যোগ দিছিল। হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)য়ে এই বিষয়ে বৰ্ণনা কৰিছে যে

এই যুদ্ধৰ আৰম্ভণীতে হজৰত জুবেৰ (ৰাঃ)য়ে হজৰত আলি (ৰাঃ)ৰ মুখৰ পৰা ৰছুলুল্লাহ (ছাঃ)ৰ এটা ভৱিষ্যদ্বাণী শুনি পৃথক হৈ গৈছিল আৰু এখেত (ৰাঃ)য়ে শপত লৈছিল যে তেখেতে হজৰত আলি (ৰাঃ)ৰ বিৰুদ্ধে যুদ্ধ নকৰিব আৰু এই কথা স্বীকাৰ কৰিছিল যে তেখেত নিজৰ সিদ্ধান্ত লওঁতে ভুল কৰিছে। আনফালে হজৰত তালহা (ৰাঃ)য়ে কয় যে নিজৰ মৃত্যুৰ আগত হজৰত আলি (ৰাঃ)ৰ বয়াত কৰা স্বীকাৰ কৰি লৈছিল। এনেদৰে বাকী চাহাবা সকলৰও মতানৈক্য এই জমলৰ যুদ্ধৰ সময়তে শেষ হৈ গৈছিল কিন্তু হজৰত মুৱাবিয়াৰ মতানৈক্য অবিচল আছিল, যাৰ ফলত গৈ চফিনৰ যুদ্ধ সংগঠিত হৈছিল। জমলৰ যুদ্ধ সংগঠিত হোৱাৰ মূলতে চাহাবা সকলৰ কোনো দোষ নাছিল; এই চয়তানী উচমান (ৰাঃ)ৰ হত্যাকাৰী সকলে কৰিছিল। জমলৰ যুদ্ধৰ অন্তত হজৰত আলি (ৰাঃ)য়ে হজৰত আয়শাৰ বাবে বাহন আৰু খাদ্য বস্তু সাজু কৰি দিছিল আৰু হজৰত আয়শা (ৰাঃ)ক পঠাই দিবলৈ নিজে আহিছিল আৰু যিসকলে হজৰত আয়শা (ৰাঃ)ৰ লগত যাব বিচাৰিছিল তেওঁলোকক পঠাই দিছিল; যিদিনাখন হজৰত আয়শা (ৰাঃ)য়ে যাত্ৰা কৰাৰ কথা আছিল হজৰত আলি (ৰাঃ)য়ে হজৰত আয়শা (ৰাঃ)ৰ ওচৰত আহি থিয় হৈছিল। তেতিয়া সকলো লোকৰ সন্মুখত হজৰত আয়শা (ৰাঃ)ওলাই আহি কৈছিল হে মোৰ পুত্ৰ সকল! মই তোমালোকৰ কষ্ট দি আৰু অন্যায় কৰি পৰস্পৰে অসন্তুষ্টি  বঢ়াইছো। ভৱিষ্যতে আমাৰ এই মতানৈক্যৰ কাৰণে কোনেও যেন আনজনৰ ওপৰত অন্যায় নকৰে। আল্লাহৰ শপত মোৰ আৰু হজৰত আলি (ৰাঃ)ৰ মাজত প্ৰথমে কোনো বিৰোধ নাছিল কেৱল মাত্ৰ সেইখিনিৰ বাদে; যি এজন পুৰুষ আৰু তাৰ শশুৰৰ আত্মীয়ৰ মাজত সাধাৰণতে কোনো কথা হৈ থাকে। তেতিয়া হজৰত আলি (ৰাঃ)য়ে কৈছিল-হে লোকসকল! হজৰত আয়শা (ৰাঃ)য়ে উত্তম আৰু সঁচা কথা কৈছে। হজৰত আয়শা (ৰাঃ)ইহজগত আৰু আখেৰাতত তোমালোকৰ নবী (ছাঃ)ৰ পবিত্ৰ পত্নী। হজৰত আলি (ৰাঃ)য়ে হজৰত আয়শা (ৰাঃ)ক কেইবা মাইল লৈকে আগবঢ়াই লৈ গৈ এৰি আহিছিল আৰু হজৰত আলি (ৰাঃ)য়ে নিজৰ পুত্ৰদয়ক আদেশ দিছিল যে তেওঁলোকে হজৰত আয়শা (ৰাঃ)ৰ লগত যাব লাগে আৰু এদিন পিছত উভতি তালৈ আহে যেন।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে চন ৩৭ হিজৰীত হজৰত আলি (ৰাঃ) আৰু হজৰত মুৱাবিয়া (ৰাঃ)(আমিৰ)ৰ মাজত চফিনৰ যুদ্ধ সংগঠিত হৈছিল। হজৰত আলি (ৰাঃ)য়ে সৈন্যদলৰ সৈতে কোফাৰ পৰা যাত্ৰা আৰম্ভ কৰিছিল আৰু যেতিয়া চফিনত গৈ উপস্থিত হৈছিল তেতিয়া দেখিছিল যে স্বামৰ সৈন্যদল আমিৰ মুৱাবিয়াৰ নেতৃত্বত আগৰে পৰাই তাত বাহৰ পাতি ৰৈ আছে। সেই সৈন্য সামন্তৰ এটা দলে ফুৰাত নদীৰ ঘাট অৱৰোধ কৰি ৰাখিছিল। তেতিয়া হজৰত আলি (ৰাঃ)য়ে তেওঁলোকক কথা দিছিল যে আমি যুদ্ধ কৰিবলৈ অহা নাই। বৰং আমি আমিৰ মুৱাবিয়াৰ সৈতে চুক্তি (সন্ধি) কৰিবলৈ আহিছো। কিন্তু আমিৰ মুৱাবিয়া সন্ধিৰ প্ৰস্তাৱত সন্মত হোৱা নাছিল। চন ৩৭ হিজৰীত চফৰ মাহত এই যুদ্ধৰ আৰম্ভণী হ'ল। যুদ্ধ যেতিয়া কিছু সময় কোনো ধৰণৰ জয় পৰাজয় নিৰ্ণয় নোহোৱাকৈ চলিব ধৰে তেতিয়া আমিৰ মুৱাবিয়া মনে মনে দুৰ্বল হৈ পৰে। এনেকুৱা বিপদজনক পৰিস্থিতিত হজৰত উমৰু বিন আচ (ৰাঃ)য়ে তেওঁক পৰামৰ্শ দিছিল যে কোৰ-আন মজিদৰ ছবি যাঠিৰ মূৰত বান্ধি ল'ব দিয়ক আৰু ঘোষণা কৰিবলৈ দিয়ক যে এই কিতাপৰ মতে সিদ্ধান্ত হোৱা উচিত। পিছত এওঁলোকে তেনেকুৱাই কৰিছিল। হজৰত আলি (ৰাঃ)ৰ ফালৰ সৈন্যৰ বেছিৰ ভাগেই আমিৰ মুৱাবিয়াৰ এই পৰামৰ্শ মানি লৈছিল যে দুয়ো পক্ষই নিজৰ নিজৰ ফালৰ পৰা এজনকৈ হাকিম নিৰ্বাচিত কৰিব আৰু সেই দুজন হাকিমে মিলি কোৰ-আন মজিদৰ নিৰ্দেশ অনুযায়ী যিকোনো সিদ্ধান্তত উপনীত হ'ব। ইতিহাসৰ কিতাপত এই ঘটনাক তাহাকিম বুলি উল্লেখ কৰিছে।

এই তাহাকিম দৰাচলতে হজৰত উচমান (ৰাঃ)ৰ হত্যাকাণ্ডও লগত সম্পৰ্কিত আছিল আৰু তাত চৰ্ত আছিল এয়া যে কোৰ-আন কৰীম অনুযায়ী সিদ্ধান্ত লোৱা হ'ব। কিন্তু উমৰু বিন আল আচ আৰু আবু মুছা আশআৰি দুয়ো মিলি পৰ্যালোচনা কৰি এয়া সিদ্ধান্ত লৈছিল যে এয়াই উত্তম হ'ব যে প্ৰথমে আমি দুয়োকে অৰ্থাৎ হজৰত আলি আৰু হজৰত মুৱাবিয়াক তেওঁলোকৰ পদৰ পৰা অপসাৰিত কৰি দিওঁ। যিয়েই নহওঁক এওঁলোক দুয়োজনে এই সিদ্ধান্ত সকলো লোকক জনাবলৈ এটা সাধাৰণ সভাৰ আয়োজন কৰে। সেই সভাত হজৰত উমৰু বিন আল আচ হজৰত আবু মুছা আশআৰীক কয় যে প্ৰথমে আপুনি আপোনাৰ ৰায় ঘোষণা কৰি দিয়ক পিছত মই মোৰ ৰায় ঘোষণা কৰিম। তেতিয়া হজৰত আবু মুছা ঘোষণা কৰি দিছিল যে তেওঁ হজৰত আলি (ৰাঃ)ক খিলাফতৰ পৰা অপসাৰিত কৰিলে,অৰ্থাৎ খিলাফতচ্যুত কৰিলে। ইয়াৰ পিছত হজৰত উমৰু বিন আল আচে থিয় হৈ কৈছিল যে আবু মুছা আশআৰীয়ে হজৰত আলি (ৰাঃ)ক খিলাফতৰ পৰা অপসাৰণ কৰিছে; মই এই বিষয়ে সন্মতি প্ৰদান কৰিলোঁ আৰু মইয়ো হজৰত আলি (ৰাঃ)ক খিলাফতৰ পৰা আঁতৰাই দিলো কিন্তু মুৱাবিয়াক মই অপসাৰিত নকৰো বৰং তাৰ আমিৰ পদত তাক বাহাল ৰাখিলোঁ। হজৰত আলি (ৰাঃ)য়ে এই ৰায় মানি ল'বলৈ অস্বীকাৰ কৰিলে আৰু কলে যে এই বিষয়ে সিদ্ধান্ত ল'বলৈ হাকিম নিযুক্ত কৰা হোৱা নাছিল আৰু তেওঁলোকৰ এই ৰায় কোৰ-আনৰ কোনো আদেশ অনুযায়ী হোৱা নাই। মই এয়া কোনো পধ্যেই মানি ল'বলৈ বাধ্য নহওঁ। হজৰত আলি (ৰাঃ)ৰ সেই মুনাফিক বন্ধু যিজন হাকিম নিযুক্ত কৰাৰ প্ৰতি বেছি জোৰ দিছিল; তেওঁ হজৰত আলি (ৰাঃ)ৰ এই আপত্তি মানি লোৱা নাছিল আৰু বয়াতৰ পৰা পৃথক হৈ গৈছিল আৰু খোৱাৰিজ বুলি চিহ্নিত হৈছিল। তেওঁ এই নীতি উলিয়াইছিল যে ওৱাজেবুল ইতায়ত খলিফা কোনেও নাই। অধিক মুছলমানে দিয়া ৰায় অনুযায়ী কাৰ্য্য পৰিচালিত হ'ব কাৰণ কোনো এজন ব্যক্তিক ওৱাজেবুল ইতায়ত আমিৰ মানি লোৱাটো لا حكم إلا لله ৰ বিৰুদ্ধে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ৩৮ হিজৰীত নাহৰুৱানৰ যুদ্ধ সংগঠিত হৈছিল। যি যুদ্ধত আলি (ৰাঃ)আৰু খুৱাৰিজ সকলৰ মাজত লড়াই হৈছিল। চফিনৰ যুদ্ধত তাহকিমৰ বিষয়টো লৈ হজৰত আলি (ৰাঃ)ৰ ফালৰ সৈন্য সমান্তৰ পৰা এটা দলে বিৰোধীতা কৰি পৃথক হৈ গৈছিল। যি সকলক খোৱাৰিজি বুলি কোৱা হৈছিল। সেই খোৱাৰিজি সকলে হজৰত আলি (ৰাঃ)ক তৌবা কৰি খিলাফতৰ দায়িত্ব এৰি দিবলৈ দাবী কৰিছিল। কিন্তু হজৰত আলি (ৰাঃ)য়ে সেই দাবী স্পষ্ট ভাৱে নাকচ কৰি দিছিল। হজৰত আলি (ৰাঃ)য়ে আকৌ মুৱাবিয়াৰ বিৰুদ্ধে ছিৰিয়া (স্বামৰ)ৰ ফালে আগবাঢ়ি যোৱাৰ প্ৰস্তুতি চলাইছিল এনেতে খোৱাৰিজি সকলে কটাঘাত মুলক কামত লিপ্ত হৈ পৰিছিল। এনে পৰিস্থিতি চাই হজৰত আলি (ৰাঃ)য়ে প্ৰায় ৬৫ হাজাৰ সৈন্য বাহিনী লৈ খোৱাৰিজি সকলৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰিছিল। যেতিয়া এখেত (ৰাঃ)য়ে গৈ নাহৰুৱান নামক ঠাইত উপস্থিত হৈছিল তেতিয়া খোৱাৰিজি সকলে সন্ধিৰ প্ৰস্তাৱ আগবঢ়াইছিল। তেতিয়া খোৱাৰিজি সকলৰ সংখ্যা আছিল মাত্ৰ চাৰি হাজাৰ তথাপি আকৌ তাৰ পৰাও এশ জনে গৈ হজৰত আলি (ৰাঃ)ৰ লগত চামিল হৈ পৰিছিল আৰু বহু সংখ্যকে কোফালৈ ওভতি গৈছিল। মাত্ৰ এক হাজাৰ আঠ শ লোকে আব্দুল্লাহ বিন ওৱাহেব খাৰজৰি নেতৃত্বত যুদ্ধলৈ আগবাঢ়ি আহিছিল আৰু হজৰত আলি (ৰাঃ)ৰ ৬৫ হাজাৰ সৈন্যৰ লগত যুঁজ দিছিল। সেই যুদ্ধত সকলো খোৱাৰিজিৰ মৃত্যু হৈছিল। ইফালে হজৰত আলি (ৰাঃ)ৰ সৈন্যৰ মাজৰ মাত্ৰ সাতজন শ্বহীদ হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যিয়েই নহওঁক এই বৰ্ণনা আগলৈ চলিব ইনশা আল্লাহ। আজিও মই পাকিস্তানৰ আৰু আলজেৰিয়াৰ আহমদী সকলৰ বাবে দোৱা কৰিবলৈ ক'ব বিচাৰিছোঁ। আলজেৰিয়াৰ পৰা এটা

ভাল খবৰ আহিছে। যোৱা দুই তিনি দিনৰ ভিতৰত দুটা ভিন্ন আদালতে মিছা গোচৰত গ্ৰেপ্তাৰ হোৱা বহু কেইজন আহমদীক খালাচ কৰিছে। পাকিস্তানৰ কিছুমান অফিচাৰ আৰু বিচাৰপতি যিসকলে ন্যায় পৰিহাৰ কৰি চলি আছে আৰু নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰি আছে; তেওঁলোকক আল্লাহ তা'লা তৌফিক দান কৰক যাতে তেওঁলোকে নিজৰ হৃদয়ৰ হিংসা পৰিত্যাগ কৰি সকলো বিষয় ন্যায়ৰ চকুৰে দেখিবলৈ পায়। যিসকল লোকৰ সংশোধন হোৱাটো আল্লাহ তা'লাৰ দৃষ্টিত তেওঁলোকৰ ভাগ্যত নাই; আল্লাহ তা'লা তেওঁলোকৰ গ্ৰেপ্তাৰীৰ পৰোৱানা জাৰী কৰক। আল্লাহ তা'লা আহমদী সকলৰ নিমিত্তে পাকিস্তানৰ শান্তি আৰু নিৰাপত্তাৰ বন্ধৱস্ত কৰে যেন। বিশেষকৈ পাকিস্তানী আহমদী সকলে নফল আৰু দোৱাৰ ওপৰত জোৰ দিয়ক। দোৱাৰ মাজত رب کل شیء خادمك رب فاحفظ وانصرنی وارحمنی- পঢ়িব আৰু اللهم انا نجعلك فی نحورهم ونعوذ بك من شرورهم- বেছি বেছিকৈ পঢ়ক। ইস্তিগফাৰ পঢ়াৰ প্ৰতি মন দিয়ক। দৰূদ পাঠ কৰক। বৰ্তমানে এইবোৰলৈ মনোযোগ দিয়াৰ বহুত প্ৰয়োজন আছে। নফল আদায় কৰক। আল্লাহ তা'লা তেওঁলোকক এইবোৰ কৰাৰ তৌফিক দান কৰক আৰু অতি সোনকালে পাকিস্তানৰ পৰিস্থিতি অনুকুল কৰি দিয়ক।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰমা হিন্দা আববাছ চাহিবা, মকৰম ৰিজুৱান ছৈয়দ নঈমী চাহাব,মকৰম মালিক আলি মহম্মদ চাহাব, মকৰম এহচান আহমদ চাহাব, আৰু মকৰম ৰিয়াজ উদ্দিন স্বামছ চাহাবৰ পৱিত্ৰ গুণাৱলীৰ চমু বিৱৰণ দি মৰহুমিন সকলৰ বাবে মাগফিৰতৰ দোৱা কৰে আৰু উক্ত মৰহুমিন সকলৰ নমাজে জুমাৰ পিছত নমাজে জানাজা গায়েব পঢ়া হ'ব বুলি ঘোষণা কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 25 DECEMBER 2020

## BOOK POST (PRINTED MATTER)

TO,

.............................................................................................................................
.............................................................................................................................
.............................................................................................................................
.............................................................................................................................
.............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844